# অসমীয়াৰ সংজ্ঞা বিচাৰি হাবাথুৰি খোৱাটো আশ্চৰ্যজনক

## শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসত ৰাজ্যপাল আচাৰ্য ঃ জনজাতীয় সমাজৰ লগত মধুৰ সম্পৰ্ক গঢ়াৰ আহ্বান

**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও, ১০ জুন ঃ** 'ভাৰত এখন ধনী ৰাষ্ট্ৰ, কিন্তু ভাৰতীয়সকল দুখীয়া। আগতে বিদেশীয়ে ভাৰতক লুণ্ঠন কৰিছিল আৰু এতিয়া ভাৰতীয় মানুহেই দেশৰ জনতাক লুণ্ঠন কৰি বিদেশী বেংকত কোটি কোটি টকা জমা ৰখাটো অতি দুখৰ কথা। হাজাৰ বছৰ ধৰি বিদেশীয়ে ভাৰতক আক্ৰমণ কৰিছে। ইয়াৰ কাৰণ ভাৰতত সোণৰ জখলা আছে। বিভাজনৰ সুবিধা লৈ বিদেশীয়ে ভাৰতত লুণ্ঠন চলাইছিল।' —এই মন্তব্য অসম আৰু নাগালেণ্ডৰ ৰাজ্যপাল পি বি আচাৰ্যৰ। নগাঁৱৰ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ দ্বিতীয় প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি এনেদৰে কয় ৰাজ্যপালগৰাকীয়ে। ৮ পৃষ্ঠাত




*শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসত ৰাজ্যপাল পি বি আচাৰ্য। বুধবাৰে, নগাঁৱত*

আমাৰ অসম, ১১জুন, ২০২৫ (পৃ: ১ আৰু ৮)

## অসমীয়াৰ সংজ্ঞা বিচাৰি হাবাথুৰি

নগাঁৱৰ খগেন মহন্ত প্ৰেক্ষাগৃহত আজি বিয়লি আয়োজিত সভাত মুখ্য অতিথি হিচাপে প্ৰদান কৰা ভাষণত ৰাজ্যপালগৰাকীয়ে কয়— আমাৰ শিক্ষাই আত্মকেন্দ্ৰিক হ'বলৈ শিকাইছে। বিশ্বৰ এক নম্বৰ ধনী ব্যক্তি বিলগেটছৰ সম্পত্তি সমাজৰ উন্নয়নৰ বাবে ন্যাসক দান দিয়া হৈছে। তেনে উদাহৰণ আমাৰ দেশত বিৰল। দেশত এতিয়া ইংৰাজী ভাষাৰ জয় জয়কাৰ চলিছে। অসমীয়া, মাৰাঠীৰ দৰে সুন্দৰ আঞ্চলিক ভাষা এলাগী হৈ পৰিছে। আমাৰ দেশত বহু গুৰুত্বপূৰ্ণ সম্পদক গুৰুত্বহীন কৰি ৰখা হৈছে। তেওঁ কয়— অসমৰ তথাকথিত ধৰ্ম নিৰপেক্ষ চৰকাৰে এগৰাকী ধৰ্মগুৰুৰ নামত বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ বাবে অনুমোদন দিয়াটো আনন্দৰ কথা। বিশ্ববিদ্যালয় কেৱল শিক্ষা কেন্দ্ৰই নহয়, সামাজিক উন্নয়নৰ বাবে চিন্তা-চৰ্চা কেন্দ্ৰও। গুৱাহাটী বিশ্ববিদ্যালয়ৰ নাম শংকৰদেৱ বিশ্ববিদ্যালয় কিয় হ'ব নোৱাৰে বুলিও তেওঁ প্ৰশ্ন কৰে। বৰপেটা সত্ৰত এতিয়াও মহিলাৰ প্ৰৱেশ নিষিদ্ধ প্ৰসংগ উত্থাপন কৰি ৰাজ্যপালগৰাকীয়ে পুৰণিকলীয়া চিন্তা-চৰ্চাবোৰ ত্যাগ কৰাৰ পোষকতা কৰাৰ লগতে ভাষণত তেওঁ পূৰ্বাঞ্চলৰ যুৱপ্ৰজন্মক বিচ্ছিন্নতাবাদৰ দৰে চিন্তাৰ পৰা আঁতৰি আহি নিজৰ মানসিকতা সলনিৰ আহ্বান জনায়। প্ৰসংগক্ৰমে তেওঁ নিজকে হিন্দু হিচাপে গৌৰৱ অনুভৱ কৰোঁ বুলি মন্তব্য কৰি কয়— যদি কোনোৱে খ্ৰীষ্টান হিচাপে, মুছলমান হিচাপে গৌৰৱ কৰিব পাৰে, মই হিন্দু হিচাপে কিয় গৌৰৱ কৰিব নোৱাৰোঁ। ৰাজ্যপালগৰাকীয়ে আমাৰ সমাজ বৰ্তমান ক'লৈ গৈ আছে বুলি আক্ষেপ প্ৰকাশ কৰি ইমান বছৰৰ পিছত অসমীয়াৰ সংজ্ঞা বিচাৰি হাবাথুৰি খাবলগীয়া হোৱাত আশ্চৰ্য প্ৰকাশ কৰে। এইক্ষেত্ৰত অসমীয়া সমাজৰ লগত জনজাতীয় সমাজৰ মধুৰ সম্পৰ্ক গঢ়াটো প্ৰয়োজন বুলি তেওঁ কয়। ৰাজ্যপালগৰাকীয়ে আমাৰ মাজত মহাপুৰুষ শংকৰ-মাধৱৰ আদৰ্শ-ভাবধাৰা অটুট আছে বুলি অভিহিত কৰি সমৃদ্ধ ভাৰত, নিৰোগী ভাৰত গঢ়াৰ বাবে আগবাঢ়ি যাবলৈ সকলোকে আহ্বান জনায়। ইফালে, সভাৰ পিছত সাংবাদিকে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱা থানত চলা বেদখল উচ্ছেদৰ ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰিব বুলি সোধা প্ৰশ্নৰ উত্তৰত তেওঁ কয়— যদি বেদখল আছে, তেন্তে শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰা হ'ব। সভাত ভাষণ দি শংকৰদেৱ বিশ্ববিদ্যালয়ৰ আচাৰ্য, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ ভবেন্দ্ৰ নাথ ডেকাই কয়— মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ যি নৈতিক, আধ্যাত্মিক আৰু মানৱতাবাদী আদৰ্শ, সেয়া অসমৰ কোনো ভৌগোলিক পৰিসীমাৰ ভিতৰতে আবদ্ধ থাকিব নোৱাৰে। মহাপুৰুষ শংকৰদেৱ-মাধৱদেৱে চাৰি-পাঁচশ বছৰৰ আগতেই ঐক্যবদ্ধ ভাৰতৰ কথা ভাবিছিল। মহাপুৰুষ দুজনাৰ এই কথাবোৰ গভীৰভাৱে অধ্যয়ন হ'ব লাগে, চৰ্চা হ'ব লাগে। সেইবাবেই মহাপুৰুষজনাৰ নামত বিশ্ববিদ্যালয় স্থাপন কৰা হৈছে। সভাত আদৰণী ভাষণ দিয়ে বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকা আৰু শলাগৰ শৰাই আগবঢ়াই সংঘৰ প্ৰধান সম্পাদক বাবুল বৰাই। সভাত ৰাজ্যপালৰ সহধৰ্মিণী কবিতা আচাৰ্য, পঞ্জীয়ক ৰাতুল চন্দ্ৰ বৰা, নগাঁৱৰ উপায়ুক্ত মনালিছা গোস্বামী উপস্থিত থাকে। সভাৰ আৰম্ভণিতে এটি বৰগীত সমবেত কণ্ঠত পৰিৱেশন কৰা হয়।